# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 25-SEP-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট- এছ্ আই টিৰ এটা দলে আজি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ গুৱাহাটীৰ গীতানগৰত থকা বাসভৱনত প্ৰাৰম্ভিক তদন্ত চলায়। এছ্ আই টিৰ দলে আজি জুবিন গাৰ্গৰ সহযোগী শেখৰ গোস্বামীৰ বাসগৃহলৈও গৈ প্ৰাৰম্ভিক তথ্য আহৰণ কৰে। চি আই ডিয়ে আজি জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহতো অভিযান চলায়। চি আই ডিৰ অভিযানৰ সময়তে মেনেজাৰজনৰ ঘৰৰ বাহিৰত উত্তেজিত জনতাক আৰক্ষীয়ে বহু কষ্ট কৰি নিয়ন্ত্ৰণ কৰে।

ইপিনে জুবিন গাৰ্গৰ সৈতে সংঘটিত দুৰ্ভাগ্যজনক ঘটনাৰ সৈতে জড়িত যিকোনো বিশ্বাসযোগ্য তথ্য কাৰোবাৰ হাতত থাকিলে সেইসমূহ পোনপটীয়াকৈ চি আই ডিলৈ প্ৰেৰণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। এনে তথ্য digp-cid@assampolice.gov.in লৈ মেইল যোগে প্ৰেৰণ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে সকলোকে এছ্ আই টিৰ সৈতে সহযোগ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত কোনো লোককে ৰেহাই দিয়া নহ'ব বুলিও উল্লেখ কৰে। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছেৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেণচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগক সহজে মানি ল'ব নোৱৰা ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ঠাইত তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত কেইবাটাও গোচৰো ৰুজু হৈছে। ইয়াৰ লগতে ৰাজ্যজুৰি শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও অব্যাহত আছে। ইপিনে শিল্পীগৰাকীৰ সমাধিস্থলীত সুৰাপান কৰি উদ্ভণ্ডালি কৰাৰ অভিযোগত সোণাপুৰ আৰক্ষীয়ে ছজন যুৱক-যুৱতীক আটক কৰিছে।

ooooo

প্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল আৰু অস্বাভাৱিক মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে আজিও প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দোষীক শীঘ্ৰেই কৰায়ত্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই আজি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি গুৱাহাটী ছহিদ ন্যাস ভৱনত সংবাদ মাধ্যমক সম্বোধন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাৰ লগতে এই ঘটনাৰ প্ৰতিবাদত কাইলৈ প্ৰতিখন জিলাৰ সদৰ স্থানত মমবাতি জ্বলাই সমদল কৰা হ'ব বুলি জানিবলৈ দিয়ে।

তেওঁলোকে এই তদন্ত ক্ষীপ্ৰ আৰু কঠোৰ হ'ব লাগিব বুলি দাবী জনায়। তেওঁলোকে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টাগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয় -

বাইট ( সমুজ্জ্বল ভট্টাচাৰ্য)

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছু সাংস্কৃতিক সমাজে আজি প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে মৰমৰ শিল্পীগৰাকীৰ মৃত্যুৰ ৰহস্য ফাদিল কৰি দোষীক কঠোৰ শাস্তিৰ দাবী জনায়। জিলাখনৰ অন্যান্য প্ৰান্ততো আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়।

শিৱসাগৰত আজি অসমীয়া যুৱ মঞ্চ আৰু ছাত্ৰ সমাজে প্ৰতিবাদ সাব্যস্ত কৰে। নগৰখনৰ দৌলমুখ চাৰিআলিৰ পৰা উলিওৱা প্ৰতিবাদী সমদলত বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। জনতাই সমগ্ৰ ঘটনাৰ উচিত তদন্ত দাবী কৰাৰ লগতে দোষীসকলক কঠোৰ শাস্তি বিহাৰ দাবী জনায়।

ooooo

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখত কলঙৰ পাৰৰ নিৰ্মীয়মান উদ্যানখন জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত **জুবিন গাৰ্গ ক্ষেত্ৰ** হিচাপে নামকৰণ কৰা হৈছে। নিৰ্মীয়মান উদ্যানখনত আজি শিল্পীগৰাকীৰ চিতাভস্ম সংস্থাপন কৰাৰ লগতে দুটা নাহৰ পুলি ৰোপণ কৰা হয়। অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কুলেন চন্দ্ৰ দাসকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে।

ooooo

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখত কলঙৰ পাৰৰ নিৰ্মীয়মান উদ্যানখন জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত **জুবিন গাৰ্গ ক্ষেত্ৰ** হিচাপে নামকৰণ কৰা হৈছে। নিৰ্মীয়মান উদ্যানখনত আজি শিল্পীগৰাকীৰ চিতাভস্ম সংস্থাপন কৰাৰ লগতে দুটা নাহৰ পুলি ৰোপণ কৰা হয়। অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কুলেন চন্দ্ৰ দাসকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে।

ooooo

সমাপ্ত